بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধ আৰু হামৰাউল আছাদৰ অভিযান সম্পৰ্কে জড়িত আঁহজৰত (ছাঃ)ৰ জীৱন চৰিত্ৰৰ বৰ্ণনা আৰু বিশ্বৰ পৰিস্থিতি আৰু হজৰত আমিৰুল মোমিনিন (আইঃ)ৰ আৰোগ্য লাভাৰ্থে দোৱাৰ তেহেৰিক।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩ মে ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হামৰাউল আছাদ অভিযান সম্পৰ্কে বৰ্ণনা চলি আছে। এই বিষয়ে হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে উহুদৰ যুদ্ধৰ পৰা ওভতি মদিনালৈ অহা আৰু হামৰাউল আছাদৰ অভিযান সম্পৰ্কে যি বৰ্ণনা কৰিছে সেয়া আজি ইয়াতে বৰ্ণনা কৰিম। তেখেত (ৰাঃ)য়ে কৈছে যে উহুদৰ যুদ্ধৰ পৰা ওভতি অহাৰ বাটত হোৱা ৰাতিটো বৰ ভয়ানক আৰু আতঙ্কময় ৰাতি আছিল। কাৰণ যদিও কুৰাইছ বাহিনী দেখাত মক্কালৈ বুলি ওভতি বাট ধৰিছিল; কিন্তু তাতেও এটা ভয়ানক ৰহস্য লুকাই আছিল যে কিজানি সিহঁতে মুছলমান সকলক বিভ্ৰান্ত কৰিবলৈ এনেকুৱা কৰিছে। সেয়ে সেইদিনাখন ৰাতিটোৰ বাবে মদিনাত পহৰা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। আঁহজৰত (ছাঃ)য়ে থকা ঘৰটো চাহাবা সকলে চোকা পহৰা দিয়াৰ ব্যৱস্থা কৰিছিল। পিছদিনা ৰাতিপুৱা জানিব পৰা গৈছিল যে সন্দেহ একেবাৰে ভিত্তিহীন নাছিল, কাৰণ ফজৰৰ নামাজৰ আগতহে খবৰ পোৱা গৈছিল যে কুৰাইছ বাহিনী কেইমাইল মান গৈ পেলাই বাহৰ পাতি আছে আৰু কুৰাইছ চৰদাৰ সকলৰ মাজত বিতৰ্ক চলি আছে যে না তোমালোকে মহম্মদ (ছাঃ)ক হত্যা কৰিলা, না মুছলমান মহিলা সকলক দাসী বনাই আনিলা, সিহঁতৰ ধনমাল বাজেয়াপ্ত কৰি ললা, বৰং তোমালোকে যেতিয়া বিজয় লাভ কৰিছিলা তেতিয়া তোমালোকে সিহঁতক এনেদৰে এৰি আহিলা যাতে সিহঁতে আকৌ শক্তিশালী হৈ উঠিব পাৰে। গতিকে এতিয়াও সময় আছে, ওভতি বলা আৰু মদিনা আক্ৰমণ কৰি তোমালোকে এবাৰ বিজয় লাভ কৰিছা, ইয়াকে গণিমত বুলি ধৰি লোৱা আৰু মক্কালৈ বুলি বলা। এনেকুৱা যেন নহয় যে এই জয় পৰাজয়লৈ সলনি হৈ যায়। আঁহজৰত

(ছাঃ)য়ে এই খবৰ পোৱা মাত্রেই মুছলমান সকলক অভিযানলৈ যাত্রা কৰাৰ ঘোষণা কৰে আৰু নির্দেশ দিয়ে যে উহুদত অংশ গ্রহণ কৰা সকলৰ বাহিৰে আৰু কোনেও যেন আমাৰ লগত নাযায়। উহুদৰ জিহাদী সকলে নিজৰ ক্ষতস্থান বান্ধিবলৈ নিজৰ প্রিয়জনৰ লগত যাত্রা কৰে। আঠ মাইল মান দূৰ অতিক্রম কৰি তেখেত (ছাঃ)য়ে হামৰাউল আছাদত উপস্থিত হয়, তাতে তেখেত (ছাঃ)য়ে বাহৰ পাতি জুই জ্বলাবলৈ নির্দেশ দিয়ে। নির্দেশ অনুযায়ী পাঁচ শ অগ্নিকুণ্ড জ্বলাই পোহৰিত কৰা হৈছিল। সেই ঠাইত গৈ মুশৰিক নেতা মুৰাবিদ হুজুৰ (ছাঃ)ক লগ ধৰে আৰু ওভতি গৈ আবু ছুফিয়ান আৰু অন্যান্য চৰদাৰ সকলক সকলো বিৱৰি কৈ নিৰাশ কৰে। মুৰাবিদৰ কথাত এনেকুৱা প্রভাৱ পৰে যে কুৰাইছ নেতা সকলে মদিনা আক্রমণৰ সিদ্ধান্ত এৰি দি মক্কালৈ ওভতি যাবলৈ বাধ্য হয়।

আঁহজৰত (ছাঃ)য়ে হামৰাউল আছাদত দুই তিনি দিন অৱস্থান কৰি পাঁচদিনৰ মূৰত মদিনা আহি পাইছিল। উহুদৰ যুদ্ধৰ ফলাফল সম্পর্কে দীঘলীয়া বিতর্ক আছে। কিছুমান জীৱনী লেখকে এই যুদ্ধৰ ফলাফল মুছলমান সকলৰ পৰাজয় হোৱা বুলি ক'ব বিচাৰে আকৌ আন কিছুমানে পৰাজয় হোৱা বুলি উল্লেখ কৰা নাই; বৰং জয় পৰাজয়ৰ মাজত সিদ্ধান্ত দিব বিচাৰে। যিয়েই নহওঁক কিছুমান লিখকে মুশৰিক সকলৰ পৰাজয়ৰ পিছত আকৌ জয়লাভ কৰা বুলি বর্ণনা কৰিছে। কিন্তু আচল কথা হ'ল এয়া যে সেই সময়ৰ যুদ্ধ নীতি অনুযায়ী মুছলমান সকল পৰাস্ত হোৱা বুলি ক'ব নোৱাৰি, কাৰণ মুছলমান সকলে তেতিয়াও যুদ্ধৰ ময়দানত উপস্থিত আছিল যেতিয়া আবু ছুফিয়ানে হুবুলৰ জয়ধ্বনি দিছিল যে আজি বদৰৰ প্রতিশোধ লোৱা হ'ল। কিন্তু এয়া ভাৱিব লগীয়া বিষয় যে এইটো বদৰৰ প্রতিশোধ কেনেকৈ হ'ল। বদৰৰ যুদ্ধত মুছলমান সকলে কাফিৰ সকলৰ ডাঙৰ চৰদাৰ বিলাকক বধ কৰিছিল, মালে গণিমত লাভ কৰিছিল, কাফিৰ সকলৰ সত্তৰজন লোকক বন্দী বনাই ৰাখিছিল আৰু বদৰত মুছলমান সকলে বিজয় লাভৰ পিছত পৰম্পৰা অনুযায়ী তাতে তিনিদিন পর্যন্ত অৱস্থান কৰিছিল। কিন্তু উহুদৰ যুদ্ধত কাফিৰ সকলে এই বিলাকৰ এটাও লাভ কৰিব পৰা নাই, তেন্তে এয়া বদৰৰ প্রতিশোধ লোৱাটো কেনেকৈ হ'ব পাৰে ? যিয়েই নহওঁক এয়া লক্ষণীয় যে যুদ্ধৰ প্রথম পর্বত মুছলমান সকলৰ জয় হোৱাৰ পিছত দ্বিতীয় পর্বত মুছলমান সকলৰ প্রাণৰ ক্ষতিসাধন হৈছিল।

হজৰত বশিৰ আহমদ চাহাব (ৰাঃ)য়ে বর্ণনা কৰিছে যে স্থায়ী ফলাফলৰ ফালৰ পৰা উহুদৰ যুদ্ধই বদৰৰ যুদ্ধৰ আগত একো ভূমিকা নাই, কিন্তু সাময়িক ভাৱে উহুদৰ যুদ্ধই মুছলমান সকলৰ বিস্তৰ ক্ষতি সাধন হৈছিল। প্রথম মুছলমান সকলৰ সত্তৰজন যুদ্ধা শ্বহীদ হৈছিল, যিসকলৰ মাজত ডাঙৰ ডাঙৰ চাহাবাও চামিল আছিল। আনহাতে আহত সকলৰ সংখ্যাও বহুত আছিল। আনফালে মদিনাৰ ইহুদী আৰু মুনাফিক সকল, যিসকলে বদৰৰ যুদ্ধত নীৰৱ হৈ গৈছিল, সিহঁতে আকৌ সাহস গোটাব পাৰিছিল। তৃতীয়তে মক্কাৰ কাফিৰ সকলে মনোবল পাইছিল, আৰু তেওঁলোকে মনে মনে ভাৱিছিল যে আমি বদৰৰ প্রতিশোধ লৈছো আৰু ভৱিষ্যতত একগোট হৈ আক্রমণ কৰিব পাৰিম আৰু মুছলমান সকলক পৰাস্ত কৰিব পাৰিম। চতুর্থতে সাধাৰণ কবিলা বিলাকে উহুদৰ যুদ্ধৰ পিছত মূৰ দাঙি উঠিছিল। কিন্তু এইবিলাক ক্ষতি বিধিৰ ওপৰিও এয়া বাস্তৱ কথা যে কুৰাইছ সকলে যিমান ক্ষতিৰ সন্মুখীন বদৰৰ যুদ্ধত হৈছিল, উহুদৰ বিজয়ে সেয়া পূৰণ কৰিব পৰা নাই।

এফালে চিন্তা কৰিলে দেখা যায় যে উহুদৰ ক্ষতিত মুছলমান সকলৰ বহুত লাভালাভ প্রমাণিত কৰে, কাৰণ ইয়াতে স্পষ্ট প্রকাশ পাইছে যে ৰছুলুল্লাহ (ছাঃ)ৰ ইচ্ছা আৰু হিদায়তৰ বিৰুদ্ধে খোজ দিয়াটো কেতিয়াবা

কেতিয়াবা বিপৰ্যয়ৰ কাৰক হ'ব পাৰে। বিজয় পৰাজয়ত সলনি হ'ব পাৰে।

উহুদৰ আগমুহূৰ্তত আঁহজৰত (ছাঃ)য়ে মদিনাত থাকি আক্ৰমণ প্ৰতিৰোধ কৰাৰ ফালে ৰায় প্ৰদান কৰিছিল। এই সম্পৰ্কে নিজৰ এটা সপোনৰ বিৱৰি শুনাইছিল, কিন্তু মুছলমান সকলে বাহিৰত গৈ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ জেদ ধৰিছিল। আঁহজৰত (ছাঃ)য়ে উহুদৰ দিনা এদল চাহাবীক গিৰিপথ ৰক্ষাৰ্থে নিয়োজিত কৰিছিল আৰু নিৰ্দেশ দিছিল যে মোৰ আদেশ নোপোৱালৈকে গিৰিপথ এৰি নাযাবা। কিন্তু সিহঁতে গণিমতৰ লোভত গিৰিপথ এৰি আহিছিল। গতিকে উহুদৰ পৰাজয় এটা হিচাপত কষ্টৰ কাৰক আছিল আনহাতে এয়া মুছলমান সকলৰ বাবে এটা শিক্ষণীয় পাঠ হিচাপে স্থাপিত হৈছে।

হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে এটা ভাষণত উহুদৰ যুদ্ধৰ পিছত সংঘটিত হোৱা ঘটনা সম্পৰ্কে বৰ্ণনা কৰিছে। তাৰে কিছুমান বৰ্ণনা এনেদৰে আছে (১) মুছলমান সকলৰ পৰাজয়ৰ দুঃখ মচিবলৈ ইয়াতকৈ আৰু উত্তম উপায় সম্ভৱ নাছিল। (২) ডেকা চামক নতুন জিহাদী সকলৰ লগত যাবলৈ অনুমতি নিদি আঁহজৰত (ছাঃ)য়ে স্পষ্ট ভাৱে প্ৰমাণ কৰি দিছে যে তেখেত (ছাঃ)য়ে অচল নিৰ্ভৰ নিজৰ সৃষ্টি কৰ্তাৰ ওপৰত কৰিছিল। (৩) তেখেত (ছাঃ)য়ে সেই চাহাবা সকলক সহায় আগবঢ়াইছিল যি সকলে উহুদৰ ময়দানত বিপৰ্যস্ত হৈ পৰিছিল আৰু তেওঁলোকৰ ওপৰত পূৰ্ণ বিশ্বাস ৰাখিছিল। (৪) আঁহজৰত (ছাঃ)ৰ এই ভৰসা আৰু বিশ্বাস কোনো ধৰণৰ প্ৰভাৱিত হৈ স্থাপন কৰা নাছিল, বৰং উহুদৰ দ্বিতীয় দিনাখন আঁহজৰত (ছাঃ)য়ে নিজৰ আহত চাহাবা সকলক লৈ শত্ৰুৰ পিছানুৰসণ কৰিবলৈ যাত্ৰা কৰাটো, নিজৰ লগৰীয়া সকলৰ ওপৰত এটা ডাঙৰ দয়া বুলিব পাৰি, এনেকুৱা কোনো সেনা নায়কেই নিজৰ ফৌজৰ ওপৰত কেতিয়াও কৰিব পৰা নাই, কাৰণ যাত্ৰা আৰম্ভ কৰাৰ ক্ষণিকতে আহত চাহাবী সকলে সুস্থ হৈ পৰিছিল, আল্লাহুম্মা চাল্লি আলা মুহাম্মাদিন ওৱা আলা আলে মুহাম্মাদিন ওৱা বাৰিক ওৱা ছাল্লিম ইন্নাকা হামিদুম মাজিদ।(৫) পিছৰ ঘটনা বিলাকৰ পৰা প্ৰমাণিত হয় যে আঁহজৰত (ছাঃ)ৰ এই অভিযান কেৱল নিজৰ প্ৰবৃত্তিৰ সিদ্ধান্ত অনুযায়ী আৰম্ভ কৰা হোৱা নাছিল, বৰং পিছত গৈ দেখা গৈছিল আঁহজৰত (ছাঃ)য়ে নিজৰ প্ৰজ্ঞাৰ জৰিয়তে কেইবাটাও মহান লাভালাভ মুছলমান সকলৰ বাবে অৰ্জন কৰিছে। খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে কৈছে যে নবী কৰিম (ছাঃ)ৰ প্ৰত্যেকটো যুদ্ধৰ ওপৰত চকু ফুৰালে আঁহজৰত (ছাঃ)ৰ দয়া আৰু সহানুভূতিৰ এক দৃষ্টান্ত বিহীন ৰহমতৰ চানেকি উজ্জ্বলি উঠে।

কিন্তু প্ৰথম কথা হ'ল আঁহজৰত (ছাঃ)ৰ মৰ্যদা কোনো দক্ষ সেনা নায়কৰ দৰে নহয় বৰং এজন চৰিত্ৰবান আৰু আধ্যাত্মিক চৰদাৰ আছিল, যাৰ হাতত উত্তম আৰু সৰ্বোত্তম চৰিত্ৰৰ ধবজা গতাই দিছিল। এই সৰ্বোত্তম চৰিত্ৰৰ নিচান শীৰ্ষস্থানত ৰাখিবলৈ যিবোৰ মহান জিহাদ তেখেত (ছাঃ)য়ে কৰিব লগীয়া হৈছিল, সেয়া কেতিয়াও অন্ত নপৰা এনেকুৱা জিহাদী আছিল যে যিয়ে শান্তিপূৰ্ণ অৱস্থাতও একেধাৰে জাৰি ৰাখিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে উহুদৰ যুদ্ধত মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ মহান সত্যতাৰ নিচান আৰু নিদৰ্শন বিদ্ধমান আছিল। এই যুদ্ধত আঁহজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী মুছলমান সকলে জয় লাভ কৰিছিল, তাৰ পিছত তেখেত (ছাঃ)ৰ মৰমৰ খুৰাদেউ যুদ্ধত শ্বহীদ হৈছিল। আনহাতে যুদ্ধৰ আৰম্ভণীতেই কাফিৰৰ সেনা নায়ক মৃত্যু মূখত পৰিছিল, আকৌ তেখেত (ছাঃ) নিজে আহত হৈছিল, আৰু বহু কেইজন চাহাবা শ্বহীদ হৈছিল। ইয়াৰ ওপৰি মুছলমান সকলে এনেকুৱা ঈমানৰ জোৰ দেখুৱাইছিল যে যাৰ দৃষ্টান্ত ইতিহাসত পাবলৈ নাই।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে উহুদৰ যুদ্ধৰ লগতে হামৰাউল আছাদৰ অভিযান সম্পৰ্কে বৰ্ণনা শেষ হ'ল। লগতে আৰু কয় যে বিশ্বৰ পৰিস্থিতি মুছলমান সকলৰ পৰিস্থিতি আৰু পেলেষ্টাইনৰ বাবে দোৱা কৰিব। দেখাত এনেকুৱা লাগি আছে যে কিছুমান ঠাইত গুলীয়া গুলি বন্ধ হৈছে যদিও পৰিস্থিতি এনেকুৱা দেখা যায় যে পেলেষ্টাইনৰ ওপৰত জুলুম শেষ নহয়। সেয়ে বেছি বেছি দোৱা কৰিব। আল্লাহ তা'লা পেলেষ্টাইনী সকলক তৌফিক দান কৰক, সিহঁতেও যেন আল্লাহ তা'লাৰ ওচৰত নতশীৰ হ'ব পাৰে। যিয়েই নহওঁক এতিয়া অনুমান হয় যে এনে পৰিস্থিতিত আল্লাহ তা'লা সেই অত্যাচাৰী সকলৰ অহংকাৰৰ পতন ঘটাবলৈ উপায় উলিয়াই দিছে। এই কাম কেতিয়া সম্পূৰ্ণ ভাৱে সমাধা হ'ব সেয়া আল্লাহ তা'লা ভালদৰে জানে। কিন্তু পৰিস্থিতিৰ পৰা অনুমান হয় যে সিহঁতৰ অহংকাৰ আৰু দম্ভালি ভাঙি যাবলৈ লৈছে। সিহঁতৰ মাজতেই সিহঁতৰ বিৰুদ্ধবাদী জন্ম ল'বলৈ লৈছে। আমেৰিকাত নিজৰ মাজতেই মতানৈক্য সৃষ্টি হৈ আছে। এই মতানৈক্য দূৰ কৰিবলৈ জোৰ দি আছে যদিও একো ফল দিয়া নাই, বৰং এই বিশৃংখলা বাঢ়ি গৈ আছে। কেতিয়াবা বন্ধ হয় যদিও আকৌ আৰম্ভ হ'ব। আল্লাহ তা'লা বিশ্বৰ ডাঙৰ ডাঙৰ শক্তি বিলাকক বিবেক দান কৰক যাতে ন্যায় অৱলম্বন কৰে। সিহঁতৰ নিজৰ বাবে এটা নীতি আৰু বেলেগৰ বাবে আন এটা নীতি অৱলম্বন কৰে। এই বিষয়টোৱে এদিন ইউ,এন ও ভঙাৰ কাৰণ হ'ব পাৰে।

খোতবা জুমাৰ শেষত হুজুৰ (আইঃ)য়ে নিজৰ সুস্বাস্থ্যৰ পৰিস্থিতি সম্পৰ্কে জামাতৰ সদস্য বৃন্দক অৱগত কৰে আৰু কয় যে এই সম্পৰ্কে দোৱা কৰিব। বহুদিন ধৰি হৃদয়যন্ত্ৰৰ Valve ৰ অসুবিধা চলি আছে। চিকিৎসক সকলে বহুদিন ধৰি Valve সলনি কৰিবলৈ পৰামৰ্শ দি আহিছে। গতিকে তেওঁলোকৰ কথা মতে কিছুদিন হ'ল Valve সলনিৰ কাম হৈ গৈছে। আলহামদুলিল্লাহ এতিয়া ঠিক হৈ গৈছে সেয়ে মই চিকিৎসকৰ পৰামৰ্শ অনুযায়ী কিছুদিন মছজিদত আহিব নোৱাৰিলো। চিকিৎসক সকলে কৈছে যে যি প্ৰোছেজৰ হ'বলগীয়া আছিল সেয়া আল্লাহৰ কৃপাত সফল হৈছে। দোৱা কৰিব যে আল্লাহ তা'লা যিমান দিন জীয়াই ৰাখে সেয়া যেন কৰ্মী আৰু কাৰ্যকৰ জীৱন দান কৰে আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهِ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 3 MAY 2024**

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**